# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

চৰকাৰী ভ্ৰমণসূচীলৈ উজনি অসমলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা দুটা দিন ডিব্ৰুগড়ত কটাব। মুখ্যমন্ত্ৰীয়ে এই দুদিন ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰপৰা চৰকাৰী কামকাজ পৰিচালনা কৰিব। কাইলৈ সন্ধিয়া চাৰে ৬ বজাত অসম মন্ত্ৰীসভাৰ এখন বৈঠক ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত অধ্যক্ষতা কৰিব। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি বৰ্তমান গুৱাহাটীত থকা মন্ত্ৰীসভাৰ সদস্যসকলে কাইলৈ দিছপুৰৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে এই বৈঠকত অংশ ল'ব পাৰিব। অনুৰূপ ধৰেণ আন জিলা সদৰত থকা মন্ত্ৰীসকলেও ভাৰ্চুৱেল ব্যৱস্থাৰে কাইলৈ মন্ত্ৰীসভাৰ বৈঠকত অংশগ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি এই ভ্ৰমণকালতে লখিমপুৰ বিধানসভা সমষ্টিত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে এতিয়াৰে পৰা ৰেচন কাৰ্ড থকা হিতাধিকাৰীয়েহে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলাও স্থাপন কৰে। তেওঁ ৰঙানদীত পকী দলং আৰু চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটো উদ্বোধন কৰে। তদুপৰি বানত ক্ষতিগ্ৰস্ত ২২ হাজাৰ ৬৩৬ টা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰে।

oooo

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্যখনত চলোৱা তৃতীয়টো বিশেষ অভিযানত কমেও ৪৩০ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ৩৪৫ টা গোচৰ ৰুজু কৰিছে। অসম আৰক্ষীৰ বিশেষ সূত্ৰই আজি এই বিষয়ে প্ৰকাশ কৰি কয়, যে শীঘ্ৰে আৰু কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰা হ'ব। অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই এখন সংবাদ মেলত কয়, যে এই অভিযানকালত গ্ৰেপ্তাৰ কৰাসকল নাবালিকাৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা পুৰুষ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্য। এই লোকসকলৰ ভিতৰত দুজন শোণিতপুৰ আৰু দক্ষিণ শালমাৰা জিলাৰ কাজিও আছে বুলি শ্ৰী গুপ্তাই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুৱা সামাজিক মাধ্যমযোগে ৰাজ্যত বাল্য বিবাহ বিৰোধী অভিযান পুনৰ আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। যোৱা নিশা ৰাজ্যখনত এই অভিযান আৰম্ভ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰিছিল। এই অভিযানত গ্ৰেপ্তাৰ কৰা লোক কেইজনক আদালতত শীঘ্ৰে হাজিৰ কৰোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। ৰাজ্য চৰকাৰে এই সামাজিক প্ৰথা বন্ধ কৰিবলৈ সাহসী পদক্ষেপ অব্যাহত ৰাখিব বুলিও তেওঁ ঘোষণা কৰে। উল্লেখযোগ্য যে, যোৱা বছৰৰ ফেব্ৰুৱাৰীত আৰম্ভ কৰা প্ৰথম পৰ্যায়ৰ বাল্য বিবাহ বিৰোধী অভিযানত ৩ হাজাৰ ৪২৫ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ৪ হাজাৰ ৩৮৭ টা গোচৰ ৰুজু কৰা হৈছিল। অক্টোবৰত চলোৱা দ্বিতীয় পৰ্যায়ৰ অভিযানত ৯১৩ জন লোকক গ্ৰেপ্তাৰ কৰাৰ উপৰি ৬৮২ টা গোচৰ ৰুজু হৈছিল বুলি আজি অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে তিনিটা পৰ্যায়তে ধুবুৰী জিলাত সৰ্বাধিক গোচৰ ৰুজু হৈছে।

oooo

নগাঁও চহৰৰ সমীপৰ গোমোঠা গাঁৱত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন আৰক্ষীৰ জোৱান থিতাতে নিহত হোৱাৰ লগতে আন এজন জোৱান গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে জোৱান দুজনে নগাঁৱৰ কন্দলী ফায়াৰিং ৰেঞ্জত নিয়মীয়া অনুশীলন কৰি মটৰ চাইকেলে উভতি অহাৰ পথত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন বাছৰ সৈতে খুন্দা লগাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। ইয়াৰ ফলত ৰমেশ পাও নামৰ জোৱানজনৰ থিতাতে মৃত্যু হয়। আনজন জোৱানক গুৰুতৰভাৱে আহত অৱস্থাত নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

oooo

বিশ্বৰ ৬৪ খন দেশ অকলে মটৰ চাইকেল চলাই ভ্ৰমণ কৰি ইতিহাসৰ সৃষ্টি কৰা মীনাক্ষি দাস নামৰ বাইকাৰগৰাকীক আজি গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্তৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। বিশ্ববিদ্যালয়খনে বাইকাৰগৰাকীক উৎসাহিত কৰাৰ বাবে ৫০ হাজাৰ টকাৰ উদগনিমূলক ধনৰাশিও ঘোষণা কৰে। শ্ৰীমতী দাসে নিজৰ ভাষণত প্ৰত্যাহ্বান অতিক্ৰম কৰা তেওঁৰ যাত্ৰাৰ বিষয়ে জানিবলৈ দিয়ে।

oooo

মৰিগাঁও জিলাৰ ঔজাৰিত অহা বছৰৰ ২১ৰ পৰা ২৩ মাৰ্চলৈ হ'বলগীয়া তিৱা সাহিত্য সভাৰ ত্ৰয়োদশ কেন্দ্ৰীয় অধিৱেশনৰ বাবে আজি  লাইখুঁটা স্থাপন কৰা হয়। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানত তিৱা স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা সাহিত্য সভাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

বড়োডৰাত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া এদিনীয়া আই চি চি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ২১১ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৩১৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ২৬ অভাৰ আৰু ২ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০

সমাপ্ত